بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২ ডিচেম্বৰ ২০২২ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁহজৰত (ছাঃ)ৰ মহান মৰ্যাদাসম্পন্ন খলিফা ৰাশিদ ছৈয়দিনা হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলীৰ ঈমান বৰ্দ্ধক ঘটনাৱলীৰ বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ নৈতিকতা আৰু প্ৰশংসনীয় গুণাৱলী সম্পৰ্কে বৰ্ণনা চলি আছে। এই ধাৰাবাহিকতাত সকলোৰে মাজত আটাইতকৈ বেছি প্ৰিয় হোৱা সম্পৰ্কে এটা ৰিৱায়ত আছে এনেদৰে হজৰত ইবনে উমৰ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে নবী কৰিম (ছাঃ)ৰ সময়ত আমালোকৰ মাজত এজনক আনজনৰ তুলনতা উত্তম বুলি নিৰ্ধাৰণ কৰা হৈছিল; অৰ্থাৎ প্ৰতিযোগীতা পতা হৈছিল। আমি বুজিছিলো যে হজৰত আবু বক্কৰ (ৰাঃ) আটাইতকৈ ভাল, তাৰ পিছত হজৰত উমৰ ইবনে খাত্তাব (ৰাঃ), তাৰ পিছত হজৰত উছমান (ৰাঃ) উত্তম। এবাৰ হজৰত উমৰ (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ক কৈছিল- হে লোক সকল ! মই ৰছুলুল্লাহ (ছাঃ)ৰ বাদে আন সকলোতকৈ উত্তম। এই কথা খিনি শুনি হজৰত আবু বক্কৰ (ৰাঃ)য়ে তৎক্ষণাত কৈছিল যে মই নবী কৰিম (ছাঃ)ক কওঁতে শুনিছো সূৰ্য উদয় নহয় কোনো মানৱৰ ওপৰত যিজন উমৰতকৈ উত্তম।

হজৰত ছলমান (ৰাঃ),হজৰত ছুহেব (ৰাঃ) আৰু হজৰত বিলাল (ৰাঃ)য়েও তাতে লোকৰ মাজত বহি আছিল। এনেতে আবু ছুফিয়ানে তাৰৈ আহে তেতিয়া লোক সকলে ক'বলৈ ধৰে যে আল্লাহৰ কছম ! আল্লাহৰ তৰোৱাল আল্লাহৰ শত্ৰুৰ সৈতে এতিয়াও নিজৰ পোতক তুলি লোৱা নাই। এয়া শুনি হজৰত আবু বক্কৰ (ৰাঃ)য়ে কৈছিল হে লোক সকল ! কিয় তোমালোকে কুৰাইছ চৰ্দাৰ সকলৰ বিষয়ে এনেদৰে বাক্যবান এৰিছা নেকি ? ইয়াৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)য়ে কৈছিল হে আবু বক্কৰ ! তুমি সম্ভৱত ছলমান (ৰাঃ),ছুহেব (ৰাঃ) আৰু বিলাল (ৰাঃ)ক অসন্তুষ্ট কৰি দিলা আৰু যদি তুমি এনেকুৱা কৰিছা তেন্তে তুমি নিশ্চয় তোমাৰ সৃষ্টি কৰ্ত্তাক অসন্তুষ্ট কৰিছা। এই কথাখিনি শুনি হজৰত আবু বক্কৰ (ৰাঃ)য়ে এই

তিনিওজন ব্যক্তিৰ কাষলৈ আহে আৰু কয় হে মোৰ মৰমৰ ভাই সকল ! মই তোমালোকক কিবা মনত দুঃখ দিলো নেকি ? উত্তৰত তিনিওজনে কৈছিল নহয় ! তেনেকুৱা একো নহয়। ইয়াতে এয়াও প্ৰমাণিত হয় যে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) অতিকৈ নম্ৰ লোক আছিল। এনেকুৱা লোক যি সকলক হজৰত আবু বক্কৰ (ৰাঃ)ৰ দাসত্বৰ পৰা মুক্ত কৰি দিছিল, তেওঁলোকেও আহি এখেত (ৰাঃ)ৰ পৰা ক্ষমা বিচাৰিছিল। আকৌ আঁহজৰত (ছাঃ)ৰ প্ৰতি প্ৰেম আৰু আনুগত্যৰ মান এনেকুৱা আছিল যে আঁহজৰত (ছাঃ)য়ে কেৱল কৈছিল যে তুমি তেওঁলোকক অসন্তুষ্ট কৰিছা, কিন্তু কোৱা নাছিল যে তেওঁলোকৰ পৰা ক্ষমা বিচৰা। তথাপি কিন্তু এখেত (ৰাঃ)য়ে গৈ তেওঁলোকৰ পৰা ক্ষমা বিচাৰিছিল।

হজৰত মছীহ মাওউ (আঃ)য়ে কৈছে যে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ নৈতিকতা আৰু বিশেষ গুণাৱলীৰ মাজত এয়াও আছিল যে নবী কৰিম (ছাঃ)ৰ হিজৰতৰ সময়ত এখেত (ৰাঃ)ক আঁহজৰত (ছাঃ)ৰ লগত যোৱাৰ বাবে নিৰ্বাচিত কৰা হৈছিল আৰু এনেদৰে সৃষ্টিকুলৰ শ্ৰেষ্ঠ মানৱজনৰ বিপদৰ সময়ত এখেত (ৰাঃ)য়ে লগ দিছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে বিপদৰ আৰম্ভণীৰ পৰাই হুজুৰ (ছাঃ)ৰ সংগী হৈ আহিছিল যাতে প্ৰেকিমে খোদা (ছাঃ)ৰ সৈতে এটা বিশেষ সম্পৰ্ক গঠিত হয় আৰু ইয়াৰ মূল ৰহস্য আছিল এয়া যে আল্লাহ তা'লাৰ জনা আছিল যে ছিদ্দিক আকবৰ (ৰাঃ)সকলো চাহাবাৰ মাজত আটাইতকৈ বেছি মুত্তাকী আৰু আঁহজৰত (ছাঃ)ৰ চেনেহী আৰু মুৰিদ আছিল আৰু ছায়েদুল কায়নাত (ছাঃ)ৰ প্ৰেমত বিভুৰ আছিল।

হুজুৰ আনোৱাৰ (আঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ বিষয়ে বৰ্তমান যুগৰ কিছুমান পশ্চিমীয়া ভাষাবিদ সকলে আঁহজৰত (ছাঃ)ৰ শীৰ্ষস্থানীয় নবুয়তৰ ওপৰত বিশ্বাস নাৰাখে, গতিকে এওঁলোকে হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে বঢ়াই প্ৰশংসা কৰাটো গ্ৰহণযোগ্য বা শুদ্ধ নহয়। মুঠতে হজৰত আবু বক্কৰ (ৰাঃ)য়েই হওঁক বা হজৰত উমৰ (ৰাঃ)য়েই হওঁক, এওঁলোকে নিজৰ প্ৰিয় নবী হজৰত মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ প্ৰতি পূৰ্ণ আনুগত্যশীল আছিল। এখেত সকলে ৰছুলুল্লাহ (ছাঃ)ৰ খাদিম হিচাপে এখন হাত আৰু ভৰি আছিল।

হজৰত আবু বক্কৰ (ৰাঃ)ৰ উত্তম নৈতিক চৰিত্ৰ সম্পৰ্কে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে কিয় এয়া সঁচা নহয়নে যে ডাঙৰ ডাঙৰ ৰজা মহাৰজা সকলে হজৰত আবু বক্কৰ আৰু হজৰত উমৰৰ নাম উচ্চাৰণ কৰোঁতে লগতে (ৰাঃ) উচ্চাৰণ কৰে আৰু নিবিচাৰে নে যে সিহঁতেও যদি তেখেত সকলৰ খিদমত কৰাৰ সৌভাগ্য লাভ কৰিলেহেঁতেন তেন্তে কোন আছে ক'ব পাৰে, আবু বক্কৰ আৰু উমৰ আৰু আবু হুৰায়ৰা (ৰাঃ)য়ে দৰিদ্ৰতাৰে ভৰা জীৱন কটাই নিজৰ ক্ষতি সাধন কৰিছে। এয়া নিশ্চিত যে তেখেত সকলে জাগতিক পৰ্যায়ত নিজৰ ওপৰত এক প্ৰকাৰৰ মৃত্যু জাপি লৈছিল। কিন্তু মৃত্যুয়ে তেখেত সকলৰ বাবে অমৰত্ব কঢ়িয়াই আনিছে। এতিয়া আৰু এনে কোনো শক্তি নাই যে তেখেত সকলক মাৰিব পাৰিব, তেখেত সকলে কিয়ামতলৈকে জীৱিত থাকিব।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে আৰু কৈছে যে হজৰত আবু বক্কৰ (ৰাঃ)ক চোৱা ! তেখেতে মক্কাৰ এজন সাধাৰণ ব্যৱসায়ী আছিল যদি ৰছুলুল্লাহ (ছাঃ)ৰ আৱিৰ্ভাৱ নঘটিলে হয় আৰু মক্কাৰ ইতিহাস ৰচনা কৰা হলহেঁতেন তেন্তে তাত কেৱল ইখিনি কথাই বৰ্ণিত থাকিলে হয় যে আবু বক্কৰ আৰবৰ এজন সাধু

আমানতদাৰ ব্যৱসায়ী আছিল। কিন্তু মহম্মদ (ছাঃ)ৰ পূৰ্ণ আনুগত্যৰ জৰিয়তে হজৰত আবু বক্কৰ (ৰাঃ)য়ে সেই মৰ্যাদাৰ অধিকাৰী হৈছে যে আজিও গোটেই বিশ্বই সন্মানৰ সৈতে তেখেতৰ নাম লয়।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে, ইছলামৰ সেৱা আৰু দ্বীনৰ বাবে কোৰবাণী কৰাৰ কাৰণেই আজি হজৰত আবু বক্কৰ (ৰাঃ)য়ে যি মহত্ব লাভ কৰিছে, সেয়া কোনো ৰজা,মহাৰজায় অৰ্জন কৰিব পাৰিছেনে ? আজি জগতৰ বাদছাহ সকলৰ মাজত কোনো এজনও নাই, যিয়ে ইমান মহানতা লাভ কৰিব পাৰিছে, যিমান হজৰত আবু বক্কৰ (ৰাঃ)য়ে লাভ কৰিছে। বৰং হজৰত আবু বক্কৰ (ৰাঃ)ৰ কথা বেলেগ, কোনো ৰজা মহৰজায় সিমান মৰ্যদাৰ অধিকাৰী হ'ব পৰা নাই যিমান হজৰত আবু বক্কৰ (ৰাঃ)ৰ চাকৰ বাকৰে অধিকাৰী হৈছে। মুঠতে সঁচা কথা হ'ল এয়া যে হজৰত আবু বক্কৰ (ৰাঃ)ৰ পোহনীয়া কুকুৰটোও আমাক আন সন্মানীয় সকলতকৈ ভাল লাগে। কাৰণ সিওঁ মহম্মদ (ছাঃ)ৰ সেৱক হৈ গৈছে। যিয়েই মহম্মদ (ছাঃ)ৰ গোলাম হৈ গৈছে তাৰেই সকলো বস্তু আমাক ভাল লগা হৈছে। গতিকে এতিয়া আৰু সম্ভৱ নহয় যে কোনো ব্যক্তিয়ে এই মহানতা আমাৰ হৃদয়ৰ পৰা আঁতৰ কৰিব পাৰে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে হজৰত আবু বক্কৰ (ৰাঃ)ৰ এজন পুতেকে যি জনে পিছত দেৰিকৈ ইছলাম গ্ৰহণ কৰিছিল, এবাৰ ৰছুলুল্লাহ (ছাঃ)ৰ মছজিদত বহি বিভিন্ন ধৰণৰ কথা-বতৰা পাতি আছিল। তাতে কথাৰ প্ৰসংগত হজৰত আবু বক্কৰ (ৰাঃ)ক কৈছিল, আববাজান ! অমুক যুদ্ধত মই এটা পাথৰৰ আঁৰত বহি যুদ্ধ চাই আছিলো আৰু আপুনি মোৰ সন্মুখেদি দুবাৰ পাৰ হৈ গৈছিলে। মই বিচাৰিলে তেতিয়া আপোনাক মই মাৰি পেলাব পাৰিলোহেঁতেন। কিন্তু মই এয়া ভাৰি আপোনাৰ ওপৰত আক্ৰমণ কৰা নাছিলো যে আপুনি মোৰ দেউতাক হয়। হজৰত আবু বক্কৰ (ৰাঃ)য়ে পুতেকৰ কথা শুনি কৈছিল, মই তোমাক তেতিয়া দেখা পোৱা নাছিলো। যদি মই তোমাক দেখা পালো হয়, যিহেতু তুমি খোদা তা'লাৰ শত্ৰু হিচাপে যুদ্ধ ক্ষেত্ৰলৈ আহিছিলা, সেয়ে মই তোমাক নিশ্চয় হত্যা কৰিলোহেঁতেন।

হজৰত আবু বক্কৰ (ৰাঃ)ৰ উত্তম চৰিত্ৰ সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আবু বক্কৰ (ৰাঃ) আছিল সেইজন ব্যক্তি যাৰ প্ৰবৃত্তিত সৌভাগ্যৰ তেল আৰু চাকি প্ৰথমৰে পৰাই প্ৰতিষ্ঠিত আছিল। গতিকে ৰছুলে কৰিম (ছাঃ)ৰ পৱিত্ৰ শিক্ষায় সেয়া প্ৰভাৱিত কৰি সোনকালতেই পোহৰিত কৰিছিল। এখেত (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ সৈতে কোনো প্ৰশ্ন উত্তৰ কৰা নাছিল বা কোনো নিদৰ্শন,মুজিজা আদি বিচৰা নাছিল। পয়গাম শুনি কেৱল সুধিছিল যে কিয় ! আপুনি নবুয়তৰ দাবী কৰিছে নেকি ? যেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল হয়। তেতিয়া আবু বক্কৰ (ৰাঃ)য়ে কৈছিল যে আপুনি সাক্ষী থাকক। মই সকলোতকৈ আগতে ঈমান স্থাপন কৰিলোঁ। ইয়াতে এয়া অভিজ্ঞতা হ'ল যে প্ৰশ্ন কৰোঁতা সকলে বৰ কমেই হিদায়ত লাভ কৰিব পাৰে। সুন্দৰ আচৰণ আৰু ধৈৰ্যৰে কাম লোৱা সকলে হিদায়তৰ পূৰ্ণ অংশই লৈ ল'ব পাৰে। ইয়াৰ প্ৰমাণ আবু বক্কৰ (ৰাঃ) আৰু আবু জাহিলৰ মাজত প্ৰত্যক্ষ কৰিব পৰা যায়। আবু বক্কৰ (ৰাঃ)য়ে কাজিয়া কৰা নাই, নিদৰ্শন বিচৰা নাই কিন্তু সেয়া তেখেতক দিয়া হৈছে, অথচ নিদৰ্শন বিচৰা সকলক দিয়া হোৱা নাই। এখেত (ৰাঃ)য়ে এটাৰ পিছত এটাকৈ নিদৰ্শন অৱলোকন কৰিছে আৰু নিজেই এটা মহান নিদৰ্শনত পৰিণত হৈছে। আবু জাহিলে প্ৰমাণ বিচাৰিছে, বিৰোধীতা আৰু মূৰ্খামি এৰি দিয়া নাই, তেওঁ নিদৰ্শনৰ পিছত নিদৰ্শন দেখিবলৈ পাইছে, অৱশেষত নিজেই বেলেগৰ বাবে এটা নিদৰ্শন

হৈ বিৰোধীতাৰ অগ্নিত দহন হৈ গৈছে।

হজৰত  মছীহ মাওউদ (আঃ)য়ে কৈছে যে মোৰ সৃষ্টি কৰ্তায় মোক জনাইছে যে ছিদ্দিক আৰু ফাৰুক আৰু উচমান (ৰাঃ)য়ে পুণ্যবান আৰু মোমিন আছিল আৰু সেই সকল লোকৰ অন্তৰ্ভুক্ত আছিল, যি সকলক আল্লাহ তা'লাই বাছি লৈছিল আৰু যিসকলক ৰহমান খোদাৰ দয়াৰ চাদৰেৰে আবৃত কৰি লোৱা হৈছিল আৰু বহুতো তত্ত্বজ্ঞানী সকলে এখেত সকলৰ গুণাৱলীৰ সাক্ষী প্ৰদান কৰিছে। এখেত সকলে বুজুৰ্গ পৰাক্ৰমশালী খোদাৰ সন্তুষ্টিৰ বাবে নিজৰ ঘৰ এৰি দিছিল। প্ৰত্যেক খন যুদ্ধত অংশ গ্ৰহণ কৰিছিল, শীত তাপলৈ ভ্ৰূক্ষেপ কৰা নাছিল। বৰং বলীয়ান ডেকাৰ দৰে দ্বীনৰ বাটলৈ ঢাপলি মেলিছিল, নিজৰ আৰু পৰলৈ কেতিয়াও মনোযোগ দিয়া নাছিল আৰু আল্লাহ ৰাববুল আলামিনৰ বাবে সকলোকে স্বাগত জনাইছিল। তেখেত সকলৰ আমলত আছিল সুগন্ধি আৰু  তেখেত সকলৰ কাৰ্যত আছিল শৃংখলাৰ নীতি ধাৰণাৰ নাভি কস্তুৰি। এই সকলোবোৰে তেখেত সকলক মৰ্যদাৰে প্ৰতিষ্ঠিত বাগান আৰু নেকিৰ বাগিছালৈ পথ প্ৰদৰ্শন কৰিছিল আৰু তেখেত সকলৰ পূৱাৰ মৃদু বতাহে নিজৰ সুগন্ধি কঢ়িয়াই আনি ব্যাকুলতাৰ পৰিচয় দিছিল আৰু তেখেত সকলৰ কাৰণে নিজৰ পূৰ্ণ শক্তি প্ৰয়োগ কৰি আমাৰ ওপৰত প্ৰকাশ পাই আছে।

আকৌ তেখেত (আঃ)য়ে কৈছে যে খোদাৰ কছম ! আল্লাহ তা'লা শ্বায়খিন অৰ্থাৎ আবু বক্কৰ আৰু উমৰ আৰু তৃতীয় যিজন জিন্নুৰাইন হয়; প্ৰত্যেককে ইছলামৰ দুৱাৰমুখ আৰু খায়ৰুল নাম মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ বাহিনীৰ প্ৰথম দস্তা বনাইছিল। গতিকে যি সকলে তেখেত সকলৰ মহানতাক অস্বীকাৰ কৰিব তেওঁলোকৰ সকলো দলিল প্ৰমাণ মূল্যহীন বুলি ধৰি ল'ব আৰু তেখেত সকলৰ লগত সন্মান প্ৰদৰ্শন নকৰিব, বৰং অপমান কৰিব আৰু সমালোচনা কৰিব তেওঁলোকলৈ মোৰ বেয়া পৰিণতি আৰু ঈমান নষ্ট হোৱাৰ ভয় হয়।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে সঁচা কথা হ'ল এয়া যে আবু বক্কৰ ছিদ্দিক আৰু উমৰ ফাৰুক দুয়োজনেই ডাঙৰ চাহাবা আছিল। এখেত দুয়োজনে কেতিয়াও হক আদায়ৰ ক্ষেত্ৰত অলস নাছিল। এখেত সকলে তাকওৱাক নিজৰ বাট আৰু ন্যায়ক নিজৰ উদ্দেশ্য বনাই লৈছিল। এখেত দুয়োজনেই সততা আৰু একাগ্ৰতাৰ উচ্চ স্থান দখল কৰিছিল। দুয়োজনেই এনেকুৱা মোবাৰক কবৰত দফন হৈছে যে যদি মুছা আৰু ঈছা জীৱিত থাকিলেহেঁতেন তেন্তে উৎকোচেৰে হলেও তাত দফন হ'বলৈ ইচ্ছা কৰিলোহেঁতেন।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বৰ্ণনাৰ কিছু অংশ আৰু কিছুমান উদ্ধৃতি ইনশা আল্লাহ আগলৈ বৰ্ণনা কৰা হ'ব। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..................................................................................................................................................

..................................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**